NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 5-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে।

২। ওড়িশাৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ৬ গৰাকী প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে।

৩। মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰে আজি ৭৫ গৰাকী আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিৰ আগত বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ বিশাল নিৰ্বাচন প্ৰক্ৰিয়াৰ সামগ্ৰীক অৱলোকন দাঙি ধৰে।

৪। চত্তিশগড়ৰ ডাণ্টেৱাড়া জিলাত আজি ৩৫টা মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছে পাঞ্জাব কিংছক ২৮ ৰানত পৰাজিত কৰিছে।

০০০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিছে। প্ৰচাৰ অভিযানৰ অন্তিম মুহুৰ্তত সকলো ৰাজনৈতিক দলৰ নেতাই ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হয়।

এই পৰ্যায়ত অহা ৭ মে'ত অসমকে ধৰি দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে, গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি হোৱাত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস হয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ এটাৰাত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছক কোভিড বিষয়ৰ সন্দৰ্ভত কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় যে, এই দলসমূহে কোভিডৰ সময়ত জনসাধাৰণৰ মাজত অপপ্ৰচাৰ চলোৱাৰ লগতে তেওঁলোকক বিভ্ৰান্ত কৰাৰ চেষ্টা কৰিছিল। ইয়াৰ বিপৰীতে তেওঁৰ চৰকাৰ আৰু বিজ্ঞানীসকলে প্ৰতিজন লোকৰ জীৱন বচোৱাৰ বাবে কঠোৰ চেষ্টা চলাইছিল বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ সীতাপুৰ আৰু অযোধ্যাত প্ৰচাৰ অভিযানত অংশ লয়। অযোধ্যাৰ ৰামলালা মন্দিৰত তেওঁ দৰ্শন আৰু পূজা-অৰ্চনা কৰে।

আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি অন্ধ্ৰপ্ৰদেশৰ হিন্দুপুৰ লোকসভা সমষ্টিৰ ধৰ্মবৰমত এন ডি এৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰী শ্বাহে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৮০ কোটি লোকে প্ৰধানমন্ত্ৰী গৰিব কল্যাণ যোজনাৰ অধীনত বিনামূলীয়া ৰেচন লাভ কৰাৰ লগতে ৫০ কোটি লোকে আয়ুষ্মাণ ভাৰত আঁচনিৰ অধীনত ৫ লাখ টকাকৈ স্বাস্থ্য বীমাৰ সুবিধা লাভ কৰিছে। তেওঁ জনসাধাৰণক দেশৰ ১৩০ কোটি লোকক বিনামূলীয়াকৈ কোভিড-১৯ ভেকচিন প্ৰদান কৰাৰ কথাও সোঁৱৰাই দিয়ে। শ্ৰী শ্বাহে অন্ধ্ৰপ্ৰদেশৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী  ৱাই এছ জগন মোহন ৰেড্ডীক উন্নয়নত অবহেলা কৰা তথা ৰাজ্যখনত  বিনিয়োগ বৃদ্ধিত অসমৰ্থ হোৱা বুলি সমালোচনা কৰে। তেওঁ লগতে কয় যে, বিভাজনৰ পাছত অন্ধ্ৰপ্ৰদেশৰ আন্তঃগাঁঠনি গঢ়ি তোলা চন্দ্ৰবাবু নাইডুৰ দৰে অভিজ্ঞ নেতাক ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে নিৰ্বাচিত কৰাটো দৰকাৰ। শ্ৰী শ্বাহে জনসাধাৰণক ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ বাবে এন ডি এক ভোটদান কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক কেন্দ্ৰৰ এন ডি এ চৰকাৰে কৃষকৰ সমৃদ্ধিৰ হকে পোলাবৰম আৰু হান্দ্ৰি নীৱা প্ৰকল্প সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সকলো ধৰণৰ সমৰ্থন আগবঢ়াব বুলিও আশ্বাস দিয়ে।

জ্যেষ্ঠ বিজেপি নেতা তথা উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে আজি বাদায়ুন জিলাত এটা ৰোড শ্ব'ত অংশ লয়। ইপিনে উত্তৰ প্ৰদেশত কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ অবিনাশ পাণ্ডে এটা ৰেলীত ভাগ লয়। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদবে আগ্ৰা জিলাত প্ৰচাৰ চলায়।

বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ আজাৰাত গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ হৈ প্ৰচাৰ চলায়। ইফালে, ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চাই আজি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰৰ পৰা লতাশিল খেলপথাৰলৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত এটা মটৰ চাইকেল ৰেলী উলিয়ায়। গুৱাহাটী লোকসভা সমষ্টিৰ জাতীয় কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ সমৰ্থনত গুৱাহাটী ৰাজীৱ ভৱনৰ পৰা দিছপুৰৰ মানৱেন্দ্ৰ শৰ্মা ভৱনলৈ এটা সমদল উলিওৱা হয়। এই সমদলত কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় নেতা জিতেন্দ্ৰ সিং, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, সাংসদ অজিত কুমাৰ ভূঞাকে ধৰি বহু নেতা আৰু কৰ্মীয়ে অংশগ্ৰহণ কৰে।

oooooooo

ওড়িশাৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ৬ গৰাকী প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে। দলটোৱে জালেশ্বৰ বিধানসভা আসনখনৰ বাবে দেবীপ্ৰসন্ন চান্দৰ সলনি সুদৰ্শন দাসক প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ বিপৰীতে অক্ষয় আচাৰ্যই নীলগিৰি আসনখনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে পুৰী বিধানসভা সমষ্টিৰ পৰা সুজীত মহাপাত্ৰৰ সলনি উমাবল্লভ ৰাথীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। দলে লগতে আথাগড় আসনৰ বাবে সুদৰ্শন চাহু আৰু আথমাল্লিক আসনৰ বাবে হিমাংশু চাউলিয়াক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

oooooooo

মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰে আজি ৭৫ গৰাকী আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিৰ আগত বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ বিশাল নিৰ্বাচন প্ৰক্ৰিয়াৰ সামগ্ৰীক অৱলোকন দাঙি ধৰে। শ্ৰী কুমাৰে আজি বিয়লি নতুন দিল্লীত ২৩খন দেশৰ নিৰ্বাচন ব্যৱস্থাপনা সংস্থাসমূহৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিসকলক সম্বোধন কৰি এই বিষয়ে প্ৰকাশ কৰে। লোকসভা নিৰ্বাচন প্ৰত্যক্ষ কৰাৰ উদ্দেশ্যে এই প্ৰতিনিধিসকল কালি ভাৰতত উপস্থিত হয়। তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় নিৰ্বাচনী ভ্ৰমণ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতলৈ আহিছে আৰু আজি এই কাৰ্যসূচীৰ উদ্বোধনী সত্ৰ অনুষ্ঠিত

হয়। এই প্ৰতিনিধিসকলে ভোটগ্ৰহণ প্ৰক্ৰিয়া তথা বিভিন্ন সমষ্টিত নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে মহাৰাষ্ট্ৰ, গোৱা, গুজৰাট, কৰ্ণাটক, মধ্যপ্ৰদেশ আৰু উত্তৰ প্ৰদেশলৈ যাব। অহা ৯ মে'ত এই কাৰ্যসূচীৰ সামৰণি পৰিব।

০০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি পুনৰ কয় যে, বিজেপিয়ে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ সংৰক্ষণ সুৰক্ষিত তথা বৃদ্ধি কৰিব। তেওঁ আদিলাবাদৰ জনসাধাৰণক মোদীৰ গেৰাণ্টী আৰু কংগ্ৰেছৰ স্বজন-তোষণৰ ৰাজনীতিৰ মাজৰ যিকোনো এটাক বাচি ল'বলৈ আহ্বান জনায়। আদিলাবাদ লোকসভা সমষ্টিৰ ছিৰপুৰ কাগজনগৰত এটা নিৰ্বাচনী ৰেলীক সম্বোধন কৰি শ্ৰী শ্বাহে কয় যে, অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে কংগ্ৰেছ চৰকাৰে সম্প্ৰদায়ৰ ভিত্তিত প্ৰদান কৰা সংৰক্ষণ ব্যৱস্থাৰ অৱসান ঘটোৱা হ'ব। শ্ৰী শ্বাহে লগতে এই বুলিও অভিযোগ কৰে যে, কংগ্ৰেছ নেতাসকলে তেওঁলোকৰ ভোট বেংকক লৈ ভয় খাই আছে। বিগত ১০ বছৰত কেন্দ্ৰত এন ডি এ চৰকাৰৰ সাফল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰী শ্বাহে কয় যে, বিগত ১০ বছৰত মোদী চৰকাৰে কঠোৰ সিদ্ধান্তৰ দ্বাৰা নক্সালবাদ আৰু সন্ত্ৰাসবাদ প্ৰায় নিৰ্মূল কৰিছে। শ্ৰী শ্বাহে এই বুলিও অভিযোগ কৰে যে এই সময়ছোৱাত বি আৰ এছ এ বিভিন্ন দুৰ্নীতিত লিপ্ত হৈছে আৰু বৰ্তমান কংগ্ৰেছ চৰকাৰো দুৰ্নীতিত লিপ্ত হৈছে আৰু প্ৰতিদিনে কোটি কোটি টকা কংগ্ৰেছ পুঁজিলৈ প্ৰেৰণ কৰি আছে।

০০০০০০০০

চত্তিশগড়ৰ ডাণ্টেৱাড়া জিলাত আজি ৩৫টা মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে। ইয়াৰে তিনিটা মাওবাদীৰ শিৰৰ বিনিময়ত পুৰস্কাৰ ঘোষণা কৰা হৈছিল। উল্লেখযোগ্য যে ডাণ্টেৱাড়া আৰক্ষীয়ে চলোৱা লন ৱাৰাটো কাৰ্যসূচীৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই মাওবাদীসকলে আজি আৰক্ষী সঞ্চলক প্ৰধান তথা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু আৰক্ষীৰ জ্যেষ্ঠ বিষয়াৰ আগত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণকাৰী মাওবাদীসকল ভৈৰামগড় আৰু কাটেকল্যান এলেকাত সক্ৰিয় আছিল বুলি জানিব পৰা গৈছে। তদুপৰি পথ অবৰোধকে ধৰি বহু নক্সালবাদী কাৰ্যকলাপটো এই মাওবাদীসকল জড়িত থকাৰ অভিযোগ আছে।

উল্লেখযোগ্য যে এই মাওবাদীসকলক চৰকাৰৰ আত্মসৰ্পণ আৰু পুনৰ্বাসন নীতিৰ অধীনত প্ৰত্যেককে ২৫ হাজাৰ টকাকৈ উদগনি হিচাপে আগবঢ়োৱা হৈছে। ডাণ্টেৱাড়া আৰক্ষীৰ লন ৱাৰাটো কাৰ্যসূচীৰ অধীনত বৰ্তমানলৈকে ৭৯৬ টা মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে।

০০০০০০০০

পশ্চিমবংগৰ বৰ্ধমান-দুৰ্গাপুৰ সংসদীয় সমষ্টিত অহা ১৩ মে'ত চতুৰ্থ পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই সমষ্টিটোৰ বাবে দুগৰাকী নিৰ্দলীয়কে ধৰি মুঠ ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বৰ্তমানৰ সাংসদ বিজেপিৰ এছ এছ আহলুৱালিয়াই আছানচৌল আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই সমষ্টিটোত ৯ লাখৰো অধিক মহিলাকে ধৰি মুঠ ১৮ লাখ ভোটদাতা আছে।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে অহা মঙলবাৰলৈকে বিজুলী ধেৰেকণীৰে ধুমুহা, বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। বিভাগটোৱে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, ছিকিম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে অহা ৭ দিনলৈ পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ

হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। ইপিনে বিহাৰ, ওড়িশা আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলীয়া অঞ্চলৰ গ্ৰীষ্ম প্ৰবাহ অব্যাহত থাকিব বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। তদুপৰি তামিলনাডু, ৰায়ালাছেমা, তেলেংগানা আৰু কৰ্ণাটকৰ কেতবোৰ অঞ্চলতো অহা মঙলবাৰলৈকে গ্ৰীষ্ম প্ৰবাহ অব্যাহত থাকিব।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছে পাঞ্জাব কিংছক ২৮ ৰানত পৰাজিত কৰিছে। ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৬৭ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ৰবীন্দ্ৰ জাদেজাই ২৬ টা বলত সৰ্বাধিক ৪৩ ৰান কৰে। পাঞ্জাব দলৰ হৈ ৰাহুল চাহাৰ আৰু হৰ্ষল পেটেলে ৩ টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ১৩৯ ৰানহে কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত কিছু সময় পাছতে লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত কলকাতা নাইট ৰাইডাৰ্ছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০০০০০

আমেৰিকাৰ আৰিজোনাৰ টাকচনত অনুষ্ঠিত USATF মহোৎসৱৰ পুৰুষৰ হাইজাম্প শিতানত ভাৰতৰ তেজস্বিন শংকৰে খিতাপ দখল কৰিছে। ৰাষ্ট্ৰীয় অভিলেখৰ গৰাকী তেজস্বিনে প্ৰথমটো প্ৰয়াসত ২ দশমিক ২-৩ মিটাৰ স্পৰ্শ কৰি শীৰ্ষত স্থান নিশ্চিত কৰে। এই শিতানত আমেৰিকা আৰ্নি চিয়েৰে দ্বিতীয় আৰু মেক্সিকোৰ ৰবাৰ্টো ভিলছেচে তৃতীয় স্থান দখল কৰে।

০০০০০০০০

সমাপ্ত